# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 11-08-2026
**Time :** 1:40 PM

ASSAMESE MIDDAY NSD BULLETIN

## HEADLINES

১। শিক্ষাৰ্থীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ আতিশয্যৰ অভিযোগকে ধৰি বিভিন্ন বিষয়ক লৈ উদ্ভৱ হোৱা উত্তপ্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজিও সংসদৰ উভয় সদনৰ কাম-কাজ বিয়লি দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

২। অসমৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১০ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে।

৩। ক্ষুদ্ৰ, লঘু, মজলীয়া উদ্যোগ মন্ত্ৰালয় আৰু উদ্যোগ তথা অভ্যন্তৰীণ বাণিজ্য উন্নয়ন বিভাগে ভাৰতৰ ভৌগোলিক সূচক লাভকে ধৰি ভিন ভিন বিষয়ক লৈ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৪। সমগ্ৰ দেশতে এই পৰ্যন্ত ১০ কোটি ৩৩ লাখতকৈ অধিকসংখ্যক কৃষকৰ পৰিচয় পঞ্জীয়ন কৰা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। ***আৰু***

৫। নাইজেৰিয়াৰ লাগোছত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধৰ কমনৱেল্থ ফেন্সিং প্ৰতিযোগিতাত ভাৰতে প্ৰথম দিনাই ৪ টা সোণৰ পদকসহ মুঠ ১৭ টা পদক লাভ কৰিছে।

ooooo

নীটক কেন্দ্ৰ কৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ আতিশয্যৰ অভিযোগ আৰু আন বিভিন্ন বিষয়কলৈ উদ্ভৱ হোৱা উত্তপ্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজিও সংসদৰ উভয় সদনৰ কামকাজ বিয়লি দুই বজালৈ স্থগিত ৰাখিবলগীয়া হয়। দিনৰ ১১ বজাত লোকসভাৰ অধিৱেশন আৰম্ভ হোৱাৰ সময়ত অধ্যক্ষই প্ৰশ্নকাল আৰম্ভ কৰিবলৈ লোৱাৰ লগে লগে বিৰোধীপক্ষৰ সাংসদসকলে শিক্ষাৰ্থীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে আতিশয্য চলোৱাৰ বিষয়টো উত্থাপন কৰে। তেওঁলোকে এই সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিবৃতি প্ৰকাশ কৰিব লাগে বুলি দাবী জনায়। ইয়াকে লৈ বিৰোধী সাংসদসকলে হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাত অধ্যক্ষ ওম বিৰলাই বিষয়টোক লৈ গৃহমন্ত্ৰী অমিত শ্বাহ সঁহাৰি জনাবলৈ প্ৰস্তুত বুলি সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে কালি প্ৰকাশ কৰা মন্তব্যৰ প্ৰতি আঙুলিয়াই দিয়ে। বিৰোধী পক্ষৰ দুয়োটা প্ৰধান দাবীয়েই ইতিমধ্যে মানি লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। চৰকাৰৰ দায়বদ্ধতা নিশ্চিত কৰা প্ৰশ্নকালক সদনৰ অতিশয় গুৰুত্বপূৰ্ণ সময় বুলি অভিহিত কৰি শ্ৰী বিৰলাই সদনৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাত সহযোগ কৰিবলৈ বিৰোধী পক্ষৰ সাংসদসকলক আহ্বান জনায়। সদনৰ মজিয়ালৈ প্লে কাৰ্ড, বেনাৰ আদি লৈ অহা কাৰ্যই সংসদৰ শালীনতা ভংগ কৰে বুলিও মত প্ৰকাশ কৰে।

(বাইট ঃ ওম বিৰলা)

ধাৰাবাহিকভাৱে সদনৰ কাৰ্য ক্ৰমণিকা ব্যাহত হোৱাটোক উদ্বেগজনক বুলি আখ্যা দি তেওঁ কয়, যে এনেদৰে সদনৰ কাম-কাজ নিতৌ ব্যাহত হোৱা কাৰ্যৰ ফলত তেওঁ ব্যক্তিগতভাৱে দুখ অনুভৱ কৰিছে। ৰাষ্ট্ৰীয় স্বাৰ্থৰ সৈতে জড়িত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সদনত উত্থাপন কৰিবলগীয়া হৈ আছে বুলি উল্লেখ কৰি এই কাম সুচাৰুৰূপে সম্পন্ন কৰাত সহযোগিতা আগবঢ়াবলৈ বিৰোধী পক্ষৰ সদস্যসকলক

অধ্যক্ষগৰাকীয়ে বাৰম্বাৰ অনুৰোধ জনোৰা সত্বেও হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত তেওঁ বিয়লি দুই বজালৈ সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

একেটা বিষয়কে লৈ ৰাজ্যসভাতো বিয়লি দুই বজালৈ কাৰ্য ক্ৰমণিকা স্থগিত ৰাখিবলগীয়া হয়। দুপৰীয়া ১২ বজাত প্ৰথমবাৰ সদন স্থগিত ৰখাৰ পাছত দ্বিতীয়বাৰৰ বাবে কামকাজ আৰম্ভ হোৱা সময়ত বিৰোধী পক্ষৰ হুলস্থূলৰ মাজত ৰাজ্যসভাৰ সভাপতি চিপি ৰাধাকৃষ্ণণে প্ৰশ্নকাল আৰম্ভ কৰিবলৈ চেষ্টা কৰে যদিও বিৰোধী সাংসদসকলে অবিৰতভাৱে শ্লোগান দি থকাৰ ফলত তেওঁ ব্যৰ্থ হয়। ইয়াৰ মাজতে নতুন নৱীকৰণযোগ্য শক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী শ্ৰীপদ য়েছো নায়কে এটা বিভাগীয় প্ৰশ্নৰ উত্তৰ দিবলৈ চেষ্টা কৰে যদিও হুলস্থূলৰ বাবে তেওঁ উত্তৰ দান সম্পূৰ্ণ কৰিব নোৱাৰিলে। এনেদৰে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত সভাপতিয়ে অৱশেষত বিয়লি দুই বজালৈ সদন স্থগিত ৰখাৰ কথা ঘোষণা কৰিবলৈ বাধ্য হয়।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন প্ৰথমবাৰ মিলিত হোৱাৰ সময়ত একাধিক মন্ত্ৰীয়ে তেওঁলোকৰ সংশ্লিষ্ট মন্ত্ৰালয়ৰ বিভিন্ন তথ্যপাতি সদনত দাখিল কৰে। গৃহ আৰু নগৰ পৰিক্ৰমা, গ্ৰামোন্নয়ন আৰু পঞ্চায়তীৰাজ, পৰিবহন, পৰ্যটন আৰু সংস্কৃতি, সামাজিক ন্যায় আৰু সৱলীকৰণ আদি বিভাগৰ সৈতে জড়িত সংসদীয় স্থায়ী সমিতিৰ প্ৰতিবেদনসমূহ সদনত দাখিল কৰাৰ পাছত হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে সভাপতি ৰাধাকৃষ্ণণে শূন্য কাল আৰম্ভ কৰে। সেই সময়তে বিজেডিৰ সাংসদ ড০ সন্ত্ৰুপ্ত মিশ্ৰই এটা বিষয় উত্থাপন কৰে যদিও হুলস্থূলৰ ফলত দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰাখিবলগীয়া হয়।

০০০০

ঝাৰখণ্ডত ছাত্ৰ-ছাত্ৰীৰ ওপৰত আৰক্ষীয়ে চলোৱা আতিশয্যৰ অভিযোগক কেন্দ্ৰ কৰি সংসদ ভৱনৰ চৌহদত NDA সমদল উলিয়ায়। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ প্ৰতি সঁহাৰি জনাবলৈ গৃহমন্ত্ৰী অমিত শ্বাহ সাজু বুলি চৰকাৰে আশ্বাস দিয়াৰ পাছতো বিৰোধীয়ে আলোচনাৰ পৰা আঁতৰি আছে বুলি অভিযোগ উত্থাপন কৰি সাংসদসকলে প্লেকাৰ্ড লৈ এই সমদলত অংশগ্ৰহণ কৰে। আজি মংগল মিলন কাৰ্যসূচীৰ অন্তত NDA-ৰ সাংসদসকলে এই পদযাত্ৰা কৰে। কেন্দ্ৰীয় মন্ত্ৰী অনুপ্ৰিয়া পেটেলে বিৰোধীয়ে ইচ্ছাকৃতভাৱে সংসদৰ কাম-কাজত ব্যাঘাত জন্মোৱা বুলি অভিযোগ উত্থাপন কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী পেটেলে কয়, যে বিৰোধীয়ে প্ৰথমে প্ৰশ্নকাকত ফাদিলৰ বিষয়টো উত্থাপন কৰিছিল আৰু শিক্ষামন্ত্ৰীৰ পদত্যাগৰ দাবী জনাইছিল। বিৰোধীৰ এই দাবী চৰকাৰে মানি লোৱাৰ পাছতো বিৰোধী দলসমূহ আলোচনাৰ বাবে সাজু হোৱা নাই বুলিও মন্ত্ৰীগৰাকীয়ে অভিযোগ উত্থাপন কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সঞ্জয় শেঠে কয়, যে হেমন্ত চ'ৰেন নেতৃত্বাধীন ঝাৰখণ্ড চৰকাৰে প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীৰ কণ্ঠ ৰুদ্ধ কৰিবলৈ দমন নীতিৰ আশ্ৰয় লৈছে। বিজেপিৰ সাধাৰণ সম্পাদক তথা ৰাজ্য সভাৰ সাংসদ তৰুণ চুগে লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে। তেওঁ ঝাৰখণ্ডৰ শিক্ষাৰ্থীৰ বিৰুদ্ধে আৰক্ষীৰ ভূমিকা দুৰ্ভাগ্যজনক বুলি মত প্ৰকাশ কৰে। ইফালে, বিজেপি সাংসদ বাঁচুৰি স্বৰাজে লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীক সংসদীয় কাৰ্যবিধিত ব্যাঘাত সৃষ্টি কৰা বুলি অভিযোগ উত্থাপন কৰে।

০০০০

অসমৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১০ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। বানত ৪৫৬ খন গাঁৱৰ ১ লাখ ৩৭ হাজাৰ ৫৯০ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ১১ হাজাৰ ৯৩৩ দশমিক ৪-৬ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত সম্প্ৰতি মৃত্যু হোৱা লোকৰ সংখ্যা ১০১ হৈছেগৈ।

০০০০

ক্ষুদ্ৰ, লঘু, মজলীয়া উদ্যোগ মন্ত্ৰালয় আৰু উদ্যোগ তথা অভ্যন্তৰীণ বাণিজ্য উন্নয়ন বিভাগে ভাৰতৰ ভৌগোলিক সূচক লাভ কৰা সামগ্ৰীসমূহৰ বাণিজ্যিকীকৰণ আৰু বিশ্ব বজাৰ লাভ কৰাত সহায়ক হোৱাকৈ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ইয়াৰ দ্বাৰা সামগ্ৰীৰ মান নিশ্চিত কৰা, ভৌগোলিক সূচক থকা সামগ্ৰীসমূহৰ ডিজিটেল প্ৰসাৰ আৰু বহল বজাৰ লাভ কৰাত সহায় কৰাৰ লগতে এখন জিলা, এবিধ সামগ্ৰী শীৰ্ষক ধাৰণা কাৰ্যকৰী কৰাৰ লক্ষ্য লোৱা হৈছে। এই ব্যৱস্থাৰ অধীনত ভাৰত জি আই বেনাৰৰ অধীনত জি আই টেগযুক্ত অৰ্থাৎ ভৌগোলিক সূচক থকা সামগ্ৰীসমূহ আৰু ব্যৱহাৰকাৰীসকলক একেখন মঞ্চলৈ অনা হ'ব। এই পদক্ষেপে সামৰ্থ বৃদ্ধি কৰাৰ লগতে বয়নশিল্পী আৰু হস্তশিল্পীসকলক বৃহৎ বজাৰৰ সুবিধা দিব। ইয়াৰ ফলত ভাৰতৰ ভৌগোলিক সূচক ব্যৱস্থা শক্তিশালী হোৱাৰ লগতে আত্মনিৰ্ভৰ ভাৰত আৰু ভোকেল ফৰ লোকেলৰ লক্ষ্যত উপনীত হোৱাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

০০০০

মহাৰাষ্ট্ৰত আজি হোৱা এটা পথ দুৰ্ঘটনাত চাৰিজন লোকৰ মৃত্যু হোৱাৰ লগতে আন দুজন আহত হয়। মধ্য প্ৰদেশৰ চাকাৰা জিলাৰ পুণে-বেংগালুৰু ৰাষ্ট্ৰীয় ঘাইপথত চাৰিচকীয়া এখন বাহনে এখন ট্ৰাকত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে চাৰিচকীয়া বাহনখন পুনেৰ পৰা চাটাৰা অভিমুখে আহি থকাৰ সময়ত নিয়ন্ত্ৰণ হেৰুৱাই প্ৰথমে ডিভাইডাৰত আৰু পাছত ট্ৰাকত খুন্দা মৰাৰ ফলত এই শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। আহত লোক দুজনক হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। ইতিমধ্যে আৰক্ষীয়ে দুৰ্ঘটনাটোৰ কাৰণ অনুসন্ধান কৰিছে।

০০০০

সুলভ মূল্যৰ গৃহ নিৰ্মাণ প্ৰক্ৰিয়া, আঁচনিভিত্তিক ব্যৱস্থাৰ পৰা মালিকীস্বত্ত আৰু ভাড়াঘৰকে ধৰি একাধিক গৃহ নিৰ্মাণৰ বিকল্প প্ৰদান কৰা বহনক্ষম ব্যৱস্থালৈ বিকশিত হ'ব লাগিব। নতুন দিল্লীত অনুষ্ঠিত সুলভ মূল্যৰ গৃহ নিৰ্মাণ বিষয়ক ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰি নগৰ উন্নয়ন বিভাগৰ সচিব সত্যেন্দ্ৰ সিঙে এইদৰে কয়। ভাৰতৰ দ্ৰুত নগৰীকৰণে সুলভ গৃহ নিৰ্মাণক অৰ্থনৈতিক বিকাশ, বহনক্ষম নগৰীকৰণ আৰু সামাজিক উন্নয়নৰ মূল স্তম্ভ কৰি তুলিছে বুলিও শ্ৰীসিঙে মন্তব্য কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ অধীনত এক কোটি ২৫ লাখতকৈও অধিক গৃহৰ অনুমোদন দিয়া হৈছে। ইতিমধ্যে এক কোটিতকৈও অধিক গৃহ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু হিতাধিকাৰীসকলক প্ৰদান কৰা হৈছে। অনুষ্ঠানত উপস্থিত থাকি নীতি আয়োগৰ সদস্য ৰাজীৱ গৌবাই কয় যে গৃহ নিৰ্মাণক এটা বিচ্ছিন্ন কল্যাণমূলক ব্যৱস্থা হিচাপে নহয়, নগৰ পৰিকল্পনা আৰু অৰ্থনৈতিক উন্নয়নৰ অবিচ্ছেদ্য অংগ হিচাপে বিবেচনা কৰা উচিত। তেওঁ কয় যে ভাৰতৰ দ্ৰুত জনসংখ্যা বৃদ্ধি আৰু নগৰীকৰণে সুলভ মূল্যৰ গৃহৰ অতিৰিক্ত চাহিদাৰ সৃষ্টি কৰিব। তেওঁ গৃহ নিৰ্মাণখণ্ডৰ অন্যতম প্ৰধান বাধা হিচাপে ভূমি উপলব্ধতাক চিনাক্ত কৰি চহৰৰ পৰিকল্পনা, সংস্কাৰ, সুলভ মূল্যৰ গৃহ নিৰ্মাণৰ বাবে ভূমিৰ উপলব্ধতা আৰু হস্তান্তৰযোগ্য উন্নয়নৰ বাবে আহ্বান জনায়।

০০০০

সমগ্ৰ দেশতে এই পৰ্যন্ত ১০ কোটি ৩৩ লাখতকৈ অধিক কৃষকৰ পৰিচয় পঞ্জীয়ন কৰা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। ইয়াৰ ফলত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি যোজনা, প্ৰধানমন্ত্ৰী ফচল জীৱন বীমা যোজনা, ন্যূনতম সমৰ্থন মূল্য আধাৰিত ক্ৰয় আৰু ঋণ প্ৰদানৰ লগতে দুৰ্যোগৰ সময়ত সাহায্যকে ধৰি প্ৰত্যক্ষ লাভ হস্তান্তৰ সুবিধাসমূহ প্ৰদানৰ ক্ষেত্ৰত সুবিধা হৈছে। লোকসভাত আজি এটা লিখিত উত্তৰত কৃষি আৰু কৃষক কল্যাণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰামনাথ ঠাকুৰে কয়, যে কৃষকসকলে নিজৰ ম'বাইল ফোনৰ সহায়ত

নিজৰ বাবে এটা কৃষক পৰিচয় পঞ্জীয়ন কৰিব পাৰে। এই উদ্যমৰ জৰিয়তে কৃষকসকলে ডিজিটেল কৃষি অভিযান আৰু অন্যান্য কৃষক কেন্দ্ৰিক সুবিধাসমূহ সূচলভাৱে লাভ কৰিব পাৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

নাইজেৰিয়াৰ লাগোছত অনুষ্ঠিত ২৩ বছৰ অনুৰ্ধৰ কমনৱেলথ ফেঞ্চিং চেম্পিয়নশ্বিপত ভাৰতে শক্তিশালী আৰম্ভণিৰে প্ৰথম দিনাই চাৰিটা সোণৰ পদককে ধৰি মুঠ ১৭ টা পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। দেওবাৰে আৰম্ভ হোৱা এই প্ৰতিযোগিতাত ভাৰতীয় দলটোৱে ৪ টা সোণ, ৪ টা ৰূপ আৰু ৯ টা ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ছেব্ৰে, ফইল আৰু এপি — এই তিনিটা শ্ৰেণীৰে ছটা ব্যক্তিগত ইভেণ্টতে ভাৰতীয় ফেঞ্চাৰসকলে পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়।

পুৰুষৰ শাখাৰ ছেব্ৰেত নিখিল ৱাঘে সোণৰ পদক অৰ্জন কৰাৰ সমান্তৰালকৈ অক্ষয় বাদছেৰে ৰূপৰ পদক অৰ্জন কৰে। অশ্বিনী আৰ্য আৰু লাইশ্ৰম মোৰাম্বাই ব্ৰঞ্জৰ পদক লাভ কৰে। ফয়েল ইভেণ্টত তেজছ পাটিলে ৰূপ আৰু হেমাছ ছানাছামে ব্ৰঞ্জৰ পদক লাভ কৰে। এপি ইভেণ্টত লোকেশ ৰেমানীয়ে ৰূপৰ পদক, শৌৰ্য অশ্বিনী আৰু গডৱিন আনবেকছে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে মহিলাৰ শাখাৰ ফয়েল ইভেণ্টত জয়ছ আশিতাই সোণৰ আৰু সতীৰ্থ কানাগলক্ষ্মীয়ে ৰূপৰ পদক অৰ্জন কৰে। এপি ইভেণ্টত প্ৰাচী লোহানে সোণৰ পদক অৰ্জন কৰাৰ সমান্তৰালকৈ নিবেদ্য নায়াৰ আৰু অনুপ্ৰিয়াই ব্ৰঞ্জৰ পদক অৰ্জন কৰে। একেদৰে ছেব্ৰে ইভেণ্টত জেফেৰলিনে সোণ, আখাৰে ৰূপ আৰু শ্ৰেয়া গুপ্তাই ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০

সমাপ্ত